No. :

Test Booklet Code
পৰীক্ষা পুস্তিকা সংকেত

# NAKHA

This Booklet contains 24+44 pages.
এই পুস্তিকাত 24+44 টা পৃষ্ঠা আছে।

ASSAMESE

# G3

**Do not open this Test Booklet until you are asked to do so.**
**নোকোৱালৈকে এই পৰীক্ষা পুস্তিকাখন নুখুলিব।**
**Read carefully the Instructions on the Back Cover of this Test Booklet.**
**এই পৰীক্ষা পুস্তিকাৰ পিছফালে দিয়া নির্দেশসমূহ সাৱধানতা সহকাৰে পঢ়ি ল'বা।**

## *Important Instructions :*

1. The Answer Sheet is inside this Test Booklet. When you are directed to open the Test Booklet, take out the Answer Sheet and fill in the particulars on **side-1** and **side-2** carefully with **blue/black** ball point pen only.
2. The test is of **3 hours** duration and Test Booklet contains **180** questions. Each question carries **4** marks. For each correct response, the candidate will get **4** marks. For each incorrect response, **one mark** will be deducted from the total scores. The maximum marks are **720**.
3. Use **Blue/Black Ball Point Pen only** for writing particulars on this page/marking responses.
4. Rough work is to be done on the space provided for this purpose in the Test Booklet only.
5. **On completion of the test, the candidate must hand over the Answer Sheet to the invigilator before leaving the Room/Hall. The candidates are allowed to take away this Test Booklet with them.**
6. The CODE for this Booklet is **G3**. Make sure that the CODE printed on **Side-2** of the Answer Sheet is the same as that on this Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of both the Test Booklet and the Answer Sheet.
7. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Test Booklet/Answer Sheet.
8. Use of white fluid for correction is **NOT** permissible on the Answer Sheet.

## *গুৰুত্বপূৰ্ণ নির্দেশঃ*

1. উত্তৰ কাতত এই পৰীক্ষা পুস্তকৰ ভিতৰত আছে। যেতিয়া পৰীক্ষা পুস্তকখন খুলিবলৈ নির্দেশ দিয়া হ'ব, তেতিয়া উত্তৰ কাকতখন উলিয়াই তাৰ **1** আৰু **2 পৃষ্ঠাত** বিৱৰণ সমূহ সাৱধানতাৰে **নীলা/ক'লা** বল পইন্ট পেনৰ দ্বাৰা পূৰণ কৰা।
2. পৰীক্ষাৰ সময় **3** ঘন্টা আৰু পৰীক্ষা পুস্তিকাত **180** টা প্ৰশ্ন আছে। প্ৰত্যেকটো প্ৰশ্নৰ বাবে **4** নম্বৰ। প্ৰত্যেকটো শুদ্ধ উত্তৰৰ বাবে পৰীক্ষাৰ্থীয়ে **4** নম্বৰকৈ পাব। প্ৰত্যেকটো অশুদ্ধ উত্তৰৰ বাবে মুঠ নম্বৰৰ পৰা **এক নম্বৰকৈ** কটা হ'ব। সৰ্ব্বোচ্চ নম্বৰ **720**।
3. এই পৃষ্ঠাত বিৱৰণসমূহ ভৰাবলৈ / উত্তৰৰ সংকেত দিবলৈ **মাত্ৰ নীলা / ক'লা বল পইন্ট পেনহে** ব্যৱহাৰ কৰিবা।
4. খুচুৰা কামৰ (rough work) বাবে পৰীক্ষা পুস্তিকাত দিয়া ঠাইহে ব্যৱহাৰ কৰিবা।
5. **পৰীক্ষাৰ শেষত, পৰীক্ষাৰ্থীজনে পৰীক্ষাৰ কোঠা / হ'ল ত্যাগ কৰিবাৰ আগেয়ে উত্তৰকাকতখন পৰীক্ষাকক্ষে নিযুক্ত থকা নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষা পুস্তিকাখন পৰীক্ষাৰ্থীয়ে লগত লৈ যাব পাৰে।**
6. এই পুস্তিকাখনৰ সংকেত **G3**। উত্তৰ কাকত খনৰ **2**-নং পৃষ্ঠাত যাতে এই সংকেতটোৱেই দিয়া আছে, সেইটো সুনিশ্চিত কৰি ল'বা। যদি সংকেত চিহ্ন নিমিলে, পৰীক্ষাৰ্থীজনে তৎক্ষণাৎ, পৰীক্ষা পুস্তিকা আৰু উত্তৰ কাকত, দুয়োখনকে সলনি কৰিবলৈ নিৰীক্ষকক জনাব লাগে।
7. পৰীক্ষাৰ্থীজনে সুনিশ্চিত কৰিব লাগে যাতে উত্তৰ কাকতত কোন ভাঁজ ন হ'ব। উত্তৰ কাকতত অপ্ৰয়োজনীয় চিহ্ন ন লিখিবা। পৰীক্ষা পুস্তিকা আৰু উত্তৰ কাকতত নির্দিষ্ট স্থানৰ বাহিৰত ক'তো নিজৰ ৰোল নং নিলিখিবা।
8. উত্তৰ কাকত সংশোধন কৰিবলৈ বগা চিয়াঁহী / ফ্লুইড ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া **ন'হব**।

**In case of any ambiguity in translation of any question, English version shall be treated as final.**
**কোনো প্ৰশ্নৰ অনুবাদৰ অনিশ্চয়তাৰ ক্ষেত্ৰত, ইংৰাজী ভাষাৰ প্ৰশ্নকে অন্তিম বুলি গণ্য কৰা হ'ব।**

Name of the Candidate (in Capitals) : ____________________
পৰীক্ষাৰ্থীৰ নাম (বৰ ফলাত):

Roll Number : in figures ____________________
ৰোল নং : সংখ্যাত
: in words ____________________
: শব্দত

Centre of Examination (in Capitals) : ____________________
পৰীক্ষাকেন্দ্ৰ (বৰ ফলাত) :

Candidate's Signature : ____________________
পৰীক্ষাৰ্থীৰ হস্তাক্ষৰ :

Invigilator's Signature : ____________________
নিৰীক্ষকৰ হস্তাক্ষৰ :

Facsimile signature stamp of
Centre Superintendent : ____________________

1. অক্সিজেন পৰিবহণ সম্পৰ্কে **অশুদ্ধ** উক্তিটো চিনাক্ত কৰা।
   (1) কাৰ্বন-ডাই-অক্সাইডৰ আংশিক চাপে হিম'গ্লবিনৰ সৈতে অক্সিজেনৰ বন্ধনক ব্যাঘাত জন্মাব পাৰে।
   (2) বায়ুথলীৰ উচ্চ $H^+$ আয়নৰ গাঢ়তাই অক্সিহিম'গ্লবিনৰ গঠন সুচল কৰে।
   (3) বায়ুথলীৰ নিম্ন $pCO_2$ এ অক্সিহিম'গ্লবিনৰ গঠন সুচল কৰে।
   (4) হিম'গ্লবিনৰ লগত অক্সিজেনৰ বন্ধন মুখ্যতঃ অক্সিজেনৰ আংশিক চাপৰ লগত জড়িত।

2. মনুষ্য-সংঘটিত কাৰ্য্যৰ দ্বাৰা পৰিৱেশত হোৱা পৰিবৰ্তনসমূহৰ কাৰণে যিবোৰ জীৱৰ ক্ৰমবিকাশ হৈছে সেই জীৱ সমূহৰ উদাহৰণবোৰৰ তলৰ কোনটো **শুদ্ধ** ?
   (a) গালাপেগ'ছ দ্বীপপুঞ্জৰ 'ডাৰউইনৰ ফিন্‌ছ'
   (b) বননাশক প্ৰতিৰোধী অপতৃণ
   (c) ড্ৰাগছ প্ৰতিৰোধী সংকোষকেন্দ্ৰীয় জীৱ (Eukaryotes)
   (d) কুকুৰ দৰে ঘৰচীয়া প্ৰাণীসমূহৰ মানৱ-সৃষ্ট জাতসমূহ
   (1) (a) আৰু (c)
   (2) (b), (c) আৰু (d)
   (3) অকল (d)
   (4) অকল (a)

3. বীজৰ সুপ্তাৱস্থাৰ বাবে তলৰ কোনবিধ দমনকাৰক দ্ৰব **নহয়** ?
   (1) এবছিছিক এচিড
   (2) ফেন'লিক এচিড
   (3) পেৰা-এচক'ৰবিক এচিড
   (4) জিবাৰেলিক এচিড

4. তলৰ ৰোগসমূহৰ লগত 'কাৰকজীৱ' (causative organism) মিলোৱা আৰু **শুদ্ধ** বিকল্পটো বাচি উলিওৱা ।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | টাইফইড | (i) | *উচেৰেৰিয়া* |
| (b) | নিউম'নিয়া | (ii) | *প্লাজম'ডিয়াম* |
| (c) | ফাইলেৰিয়াচিচ্ | (iii) | *চাল্‌মনেলা* |
| (d) | মেলেৰিয়া | (iv) | *হিম'ফিলাচ* |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (ii) | (i) | (iii) | (iv) |
| (3) | (iv) | (i) | (ii) | (iii) |
| (4) | (i) | (iii) | (ii) | (iv) |

5. শ্বাস প্ৰক্ৰিয়াৰ সময়ত ঘটা **শুদ্ধ** ঘটনা সমূহ বাচি উলিওৱা ।
   (a) মধ্যচ্ছদাৰ সংকোচন
   (b) বহিঃ আন্তঃ পৰ্শুকী (external inter-costal) পেশীৰ সংকোচন
   (c) হাওঁ ফাওঁৰ আয়তন হ্ৰাস হয়
   (d) অন্তঃ হাওঁ ফাওঁৰ চাপ বৃদ্ধি হয়
   (1) (c) আৰু (d)
   (2) (a), (b) আৰু (d)
   (3) অকল (d)
   (4) (a) আৰু (b)

6. সালোকশ্বাসক্ৰিয়াত RuBisCo এনযাইমৰ অক্সিজেনেচন কাৰ্য্যকলাপৰ বাবে উৎপন্ন হয় :
   (1) 3-C যৌগৰ 1 টা অণু
   (2) 6-C যৌগৰ 1 টা অণু
   (3) 4-C যৌগৰ 1 টা অণু আৰু 2-C যৌগৰ 1 টা অণু
   (4) 3-C যৌগৰ 2 টা অণু

7. আলোক বিক্ৰিয়াত, প্লাষ্টকুইননে সহজে ক'ৰ পৰা ইলেক্ট্ৰন আতৰ কৰে :
   (1) $Cytb_6f$ কমপ্লেক্সৰ পৰা PS-I লৈ
   (2) PS-I ৰ পৰা $NADP^+$ লৈ
   (3) PS-I ৰ পৰা ATP সংশ্লেষণ লৈ
   (4) PS-II ৰ পৰা $Cytb_6f$ কমপ্লেক্সলৈ

8. কিহৰ সহায়ত জেল ইলেক্ট্ৰ'ফৰেচিচৰ দ্বাৰা পৃথক কৰা ডি এন এৰ টুকুৰা দৃশ্যমান কৰিব পাৰি ?
   (1) UV ৰশ্মিত ইথিডিয়াম ব্ৰ'মাইডৰ দ্বাৰা
   (2) UV ৰশ্মিত এচিট'কাৰমাইনৰ দ্বাৰা
   (3) অৱলোহিত ৰশ্মিত ইথিডিয়াম ব্ৰ'মাইডৰ দ্বাৰা
   (4) উজ্জ্বল নীলা পোহৰত এচিট'কাৰমাইনৰ দ্বাৰা

9. এটা মানক ECG ত QRS থুপটোৱে বুজায় :
   (1) অলিন্দৰ উত্তেজনা অৱস্থা (Depolarisation)
   (2) নিলয়ৰ উত্তেজনা অৱস্থা (Depolarisation)
   (3) নিলয়ৰ স্বাভাৱিক অৱস্থালৈ গতি (Repolarisation)
   (4) অলিন্দৰ স্বাভাৱিক অৱস্থালৈ গতি (repolarisation of auricles)

**10.** এটা উদ্ভিদৰ অংগ য'ত দুটা জনু এটাৰ ভিতৰত আনটো থাকে :

(a) পৰাগধানীৰ মাজত পৰাগৰেণু

(b) দুটা পুংজনন কোষৰে সৈতে অংকুৰিত পৰাগৰেণু

(c) ফলৰ মাজত থকা বীজ

(d) ডিম্বকৰ ভিতৰত থকা ভ্ৰূণস্থলী

(1) (a), (b) আৰু (c)

(2) (c) আৰু (d)

(3) (a) আৰু (d)

(4) কেৱল (a)

**11.** মানৱদেহত প্ৰৱেশ কৰা *প্লাজম'ডিয়ামৰ* সংক্ৰামক স্তৰটো হৈছে :

(1) স্পৰ'জইট

(2) মাইকী গেমেট'চাইট

(3) মতা গেমেট'চাইট

(4) ট্ৰ'ফ'জইট

**12.** **অশুদ্ধ** উক্তিটো চিনাক্ত কৰা :

(1) ৰসবাহী কাষ্ঠই শিপাৰ পৰা পাতলৈ পানী আৰু অজৈৱ লৱণ পৰিবহণ কাৰ্য্যত জৰিত থৈ থাকে।

(2) ৰসবাহী কাষ্ঠ হৈছে একেবাৰে আভ্যন্তৰীণ গৌণ জাইলেম আৰু ই পাতল বৰণৰ।

(3) টেনিন, ৰেজিন, তেল আদি জমা হোৱাৰ বাবে অন্তঃকাষ্ঠৰ বৰণ ডাঠ হয়।

(4) অন্তঃকাষ্ঠই পানী পৰিবহণ নকৰে কিন্তু শাৰীৰিক শক্তি যোগান ধৰে।

**13.** পেংগুইন আৰু ডলফিনৰ ফান (Flipper) তলৰ কোনটোৰ উদাহৰণ হয় ?

(1) অভিসাৰী ক্ৰমবিকাশ

(2) উদ্যোগিক মেলানিজ্‌ম

(3) প্ৰাকৃতিক নিৰ্বাচন

(4) অনুকূলী বিকিৰণ

**14.** ABO ৰক্তদলক নিয়ন্ত্ৰণ কৰা 'I' জিনটোৰ সম্পৰ্কে **অশুদ্ধ** উত্তৰটো চিনাক্ত কৰা।

(1) এজন ব্যক্তিৰ তিনিটা এলিলৰ মাত্ৰ দুটাহে থাকিব।

(2) যেতিয়া $I^A$ আৰু $I^B$ একেলগে থাকে, সিহঁতে একে প্ৰকাৰৰ শৰ্কৰা ব্যক্ত কৰে।

(3) এলিল 'i' য়ে কোনোধৰণৰ শৰ্কৰা উৎপন্ন নকৰে।

(4) 'I' জিনটোৰ তিনিটা এলিল আছে।

**15.** পৰ্ব 'পৃষ্ঠদণ্ডী প্ৰাণী'ৰ বাবে তলৰ কোনকেইটা উক্তি **শুদ্ধ** ?

(a) ইউৰ'কৰডাটাত পৃষ্ঠৰজ্জুডাল মূৰৰ পৰা নেজলৈকে বিস্তৃত হৈ থাকে আৰু ই গোটেই জীৱন জুৰি থাকে।

(b) মেৰুদণ্ডী প্ৰাণীত পৃষ্ঠৰজ্জুডাল ভ্ৰূণ কালছোৱাতহে থাকে।

(c) কেন্দ্ৰীয় স্নায়ুতন্ত্ৰটো পৃষ্ঠীয় আৰু ফোপোলা।

(d) পৃষ্ঠদণ্ডী প্ৰাণীক তিনিটা উপপৰ্বলৈ বিভক্ত কৰা হৈছে : হেমিকৰ্ডাটা, টিউনিকেটা আৰু চেফাল'কৰডাটা।

(1) (c) আৰু (a)

(2) (a) আৰু (b)

(3) (b) আৰু (c)

(4) (d) আৰু (c)

**16.** মূত্ৰত তলৰ কোনটো অৱস্থাৰ উপস্থিতিয়ে ডায়েবেটিছ মেলিটাছ ৰোগটোক সূচায় ?

(1) ইউৰেমিয়া আৰু বৃক্কীয় কেলকুলি

(2) কেটুনিউৰিয়া আৰু গ্লাইক'চুৰিয়া

(3) বৃক্কীয় কেলকূলী আৰু হাইপাৰগ্লাইচেমিয়া

(4) ইউৰেমিয়া আৰু কেটুনিউৰিয়া

**17.** অনুবাদকৰ (Translation) প্ৰথম স্তৰ হ'ল :

(1) ডি এন এৰ অণু গ্ৰহণ কৰে

(2) চালক আৰ এন এ ৰ (tRNA) এমাইন'এচাইলেচন

(3) বিৰোধ-ক'ড'ন (anti-codon) গ্ৰহণ কৰে

(4) ৰাইব'জমৰ mRNA লগত বন্ধন

18. প্ৰান্ত পুষ্পিকাত থাকে :
(1) উৰ্দ্ধগভী গৰ্ভাশয়
(2) গৰ্ভপাদপুষ্পী গৰ্ভাশয়
(3) অধঃঅৰ্ধোগভী গৰ্ভাশয়
(4) অধোগভী গৰ্ভাশয়

19. বৃদ্ধিৰ প্ৰক্ৰিয়া আটাইতকৈ বেছি হয় :
(1) বিলম্ব পৰ্য্যায়
(2) জীৰ্ণতা
(3) সুপ্তাৱস্থা
(4) মূখ্য বৃদ্ধি পৰ্য্যায়

20. কাণ্ডৰ গুৰিৰ পৰা উৎপত্তি হোৱা মূল সমূহ হ'ল :
(1) প্ৰাথমিক মূল
(2) স্তম্ভ মূল
(3) পাৰ্শ্বীয় মূল
(4) গুচ্ছমূল

21. পানী/বিহ মেটেকা আৰু ভেটফুলৰ পৰাগযোগ হয় :
(1) কেৱল পানীৰ সোঁতৰ দ্বাৰা
(2) বতাহ আৰু পানীৰ দ্বাৰা
(3) পতঙ্গ আৰু পানীৰ দ্বাৰা
(4) পতঙ্গ নাইবা বতাহৰ দ্বাৰা

22. অধিকতৰ 'পুতিজল উপচাৰণ'ৰ বাবে 'অবাত গেদ পাচক'ত (Anaerobic sludge digester) তলৰ কোনটো ৰখা হয় ?
(1) ভাহি থকা আবৰ্জনা
(2) প্ৰাথমিক উপচাৰণৰ এফ্লুয়েণ্টসমূহ
(3) সক্ৰিয় গেদ (Activated sludge)
(4) প্ৰাথমিক গেদ (sludge)

23. তলৰ কোনটো দ্বিপাৰ্শ্বীয়ভাৱে সমমিত আৰু দেহগুহাহীন প্ৰাণীৰ উদাহৰণ হয় ?
(1) চেপেটা কৃমি
(2) ঘূৰণীয়া কৃমি
(3) বলয়ী প্ৰাণী
(4) টিন'ফ'ৰা

24. তলৰ পৰা ক্ষাৰকীয় এমিন' এচিডটো চিনাক্ত কৰা।
(1) গ্লুটামিক এচিড
(2) লাইচিন
(3) ভেলাইন
(4) টাইৰ'চিন

25. গৰ্ভধাৰণ কৰিব নোৱাৰা স্ত্ৰীলোকসকলক সহায় কৰিবলৈ তলৰ কোনবোৰ পদ্ধতিত ভ্ৰূণৰ স্থানান্তৰণ কৰা হয় ?
(1) GIFT আৰু ZIFT
(2) ICSI আৰু ZIFT
(3) GIFT আৰু ICSI
(4) ZIFT আৰু IUT

26. অন্তৰ্বিষ্ট দেহ (inclusion bodies) ৰ বাবে তলত উল্লেখ কৰা কোনটো উক্তি **অশুদ্ধ** ?
(1) এইবোৰ খাদ্যকণা ভক্ষণৰ লগত জড়িত
(2) এইবোৰ চাইট'প্লাজমত মুক্তভাৱে থাকে
(3) এইবোৰে চাইট'প্লাজমৰ সঞ্চিত খাদ্য সূচায়
(4) এইবোৰ কোনো আৱৰণীৰ দ্বাৰা আবৃত হৈ নাথাকে

27. কোনে বংশগতিৰ ক্ৰ'ম'জ'মীয় তত্ত্বৰ পৰীক্ষামূলক প্ৰমাণ কৰিছিল ?
(1) চাট্টন
(2) ব'ভেৰি
(3) মৰগান
(4) মেণ্ডেল

28. সকলো যৌন সংক্ৰমণ ৰোগ অন্তৰ্ভুক্ত কৰা বিকল্পটো বাচি উলিওৱা।
(1) গন'ৰীয়া, মেলেৰিয়া, জননাংগৰ হাৰ্পিছ
(2) AIDS, মেলেৰিয়া, ফাইলেৰীয়া
(3) কৰ্কট ৰোগ, AIDS, চিফিলিচ
(4) গন'ৰীয়া, চিফিলিচ, জননাংগৰ হাৰ্পিছ

29. তলৰ কোনটো উক্তি **শুদ্ধ নহয়** ?

(1) প্ৰ'ইনচুলিনৰ 'C-পেপ্টাইড' বুলি এটা অতিৰিক্ত পেপ্টাইড থাকে ।

(2) কাৰ্য্যকৰী ইনচুলিনৰ শৃঙ্খল 'A' আৰু 'B' দুয়োডাল হাইড্ৰ'জেন বন্ধনৰ দ্বাৰা সংলগ্ন হৈ থাকে।

(3) *E-Coli* ত জিনীয়ভাৱে অভিযন্ত্ৰিত ইনচুলিন প্ৰস্তুত কৰা হয়।

(4) মানুহৰ ক্ষেত্ৰত ইনচুলিন 'প্ৰ'ইনচুলিন' হিচাবে সংশ্লেষিত হয়।

30. সংকোষকেন্দ্ৰীয় কোষৰ গ্লাইক'প্ৰ'টিন আৰু গ্লাইক'লিপিড প্ৰস্তুত হোৱা উল্লেখযোগ্য ঠাই হৈছে :

(1) পেৰ'ক্সিজ'ম

(2) গলগি যন্ত্ৰ

(3) পলিজ'ম

(4) অন্তঃপ্লাজমীয় জালিকা

31. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা ।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | *ক্লস্ট্ৰিডিয়াম বুটিলিকাম* | (i) | চাইক্ল'স্পৰিণ-A |
| (b) | *ট্ৰাইক'ডাৰমা পলিস্প'ৰাম* | (ii) | বিউটাইৰিক এচিড |
| (c) | *ম'নাচ্কাচ্ পাৰপিউৰিয়াস* | (iii) | চাইট্ৰিক এচিড |
| (d) | *এচপাৰজিলাস নাইজাৰ* | (iv) | তেজৰ কলেষ্টেৰল হ্ৰাস কৰা কাৰক |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (ii) | (i) | (iv) | (iii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (iv) | (iii) | (ii) | (i) |
| (4) | (iii) | (iv) | (ii) | (i) |

32. ক্ৰমবিকাশৰ ভ্ৰূণ সাক্ষ মানি লোৱা নাই :

(1) এলফ্ৰেড ৱালেছ

(2) চাৰ্লচ ডাৰউইন

(3) অপেৰিন

(4) কাৰ্ল আৰনেষ্ট ভন বেয়াৰ

33. বাহকত লাগিথকা ডি এন এ (linked DNA) ক ক্ৰম অনুসৰি নিয়ন্ত্ৰণ কৰাক বোলা হয় :

(1) অনুকৃত্যায়নৰ উৎস (Ori site)

(2) প্যালিনড্ৰ'মিক অনুক্ৰম

(3) ৰিকগ্‌নিছন স্থান

(4) নিৰ্বাচনক্ষম চিহ্ন

34. ভাইৰইড্‌ৰ বাবে তলত দিয়া কোনটো **শুদ্ধ** হব ?

(1) ইহঁত প্ৰ'টিন আচ্ছাদন নথকা মুক্ত আৰ.এন.এ.

(2) ইহঁত প্ৰ'টিন আচ্ছাদনযুক্ত ডি.এন.এ.

(3) ইহঁত প্ৰ'টিন আচ্ছাদন নথকা মুক্ত ডি.এন.এ.

(4) ইহঁত প্ৰ'টিন আচ্ছাদনযুক্ত আৰ.এন.এ.

35. কি নিয়ন্ত্ৰণৰ কাৰণে মন্ট্ৰিল প্ৰ'ট'কল 1987 চনত চহী কৰা হ'ল ?

(1) অ'জন স্তৰৰ অৱক্ষয় হোৱা পদাৰ্থ সমূহ নিৰ্গত কৰা

(2) সেউজগৃহ গেছ সমূহ এৰি দিয়া

(3) e-wastes সমূহ পেলাই দিয়া

(4) অনুবংশীক ৰূপান্তৰিত জীৱক এখন দেশৰ পৰা আন এখনলৈ পঠোৱা

36. চাইট্ৰিক এচিড চক্ৰৰ এপাকত কিমান সংখ্যক চাবট্ৰেট লেভেল ফচফ'ৰিলেচন হয় ?

(1) এক

(2) দুই

(3) তিনি

(4) শূন্য

37. তলৰ কোনটো হৰম'নৰ মানে (hormone level) গ্ৰেফিয়ান ফলিকূলৰ পৰা ডিম্বক্ষৰণ ঘটাই ?

(1) প্ৰজেষ্টেৰণৰ উচ্চ গাঢ়তা

(2) LH ৰ নিম্ন গাঢ়তা

(3) FSH ৰ নিম্ন গাঢ়তা

(4) ইষ্ট্ৰ'জেনৰ উচ্চ গাঢ়তা

38. **শুদ্ধ** যোৰটো বাচি উলিওৱা।

(1) ফিনাইলকিট'নিউৰিয়া - দৈহিক ক্ৰম'জ'মৰ প্ৰভাৱী লক্ষণ

(2) কাঁচিকোষ ৰক্তহীনতা - দৈহিক ক্ৰম'জ'মৰ অপ্ৰভাৱী লক্ষণ, ক্ৰম'জ'ম-11

(3) থেলেচেমিয়া - X জড়িত

(4) হিম'ফিলিয়া - Y জড়িত

39. অনুৰোমৰ (microvilli) প্ৰান্তীয় চিলিয়াসহ ঘনকাকাৰ আচ্ছাদক কলা তলৰ কোনটোত পোৱা যায় ?

(1) লালটি গ্ৰন্থিৰ নলীকাসমূহত

(2) নেফ্ৰনৰ নিকটস্থ সংবলিত নলীকাত

(3) ইউষ্টে চিয়ান নলীত

(4) ক্ষুদ্ৰান্তৰ আৱৰণীত

40. এণ্টাৰ্কটিকা অঞ্চলত হিম-অন্ধতা (Snow-blindness) হোৱাৰ কাৰণ হ'ল :

(1) UV-B ৰশ্মি অত্যাধিক তীক্ষ্ণতাৰ বাবে চকুৰ কৰ্ণিয়াত হোৱা জ্বলনৰ বাবে

(2) বৰফত হোৱা অত্যাধিক পোহৰৰ প্ৰতিফলনৰ বাবে

(3) ইনফ্ৰা-ৰেড্ ৰশ্মি (infra-red ray) ৰ বাবে ৰেটিনাত হোৱা ক্ষতিৰ কাৰণে

(4) কম উষ্ণতাৰ বাবে চকুৰ ৰস সমূহ গোট মৰা

41. তলত উল্লেখ কৰা কোনযোৰ এককোষী শেলাই ?

(1) *গিলিডিয়াম* আৰু *গ্ৰেছিলেৰীয়া*

(2) *এনাবিনা* আৰু *ভলভক্স*

(3) *ক্ল'ৰেলা* আৰু *স্পাইৰুলিনা*

(4) *লেমিনেৰীয়া* আৰু *ছাৰগাছাম্*

42. উদ্ভিদৰ এটা প্ৰস্থচ্ছেদত তলত উল্লেখ কৰা আভ্যন্তৰীণ গঠনসমূহ দেখা গৈছে :

(a) আচ্ছাদৰ দ্বাৰা আবৃত অসংখ্য সিচৰিত হৈ থকা সংবহন কলা (vascular bundles)

(b) সুস্পষ্ট পেৰেণকাইমা কোষৰ আদি কলান্তৰ

(c) সংবহন কলা সংযুক্ত আৰু বন্ধ

(d) ফ্লৱেম পেৰেণকাইমা নাই

উদ্ভিদৰ সংবৰ্গ আৰু তাৰ অংগ চিনাক্ত কৰা :

(1) একবীজপত্ৰী মূল

(2) দ্বিবীজপত্ৰী কাণ্ড

(3) দ্বিবীজপত্ৰী মূল

(4) একবীজপত্ৰী কাণ্ড

43. মেণ্ডেলে কিমানবিধ প্ৰকৃত স্বৰূপ প্ৰজননৰ (true breeding) মটৰ মাহৰ যোৰ লৈছিল, যি বোৰৰ এটা বিপৰীত স্বৰূপৰ বাহিৰে বাকীবোৰ একে লক্ষণ যুক্ত ?

(1) 2

(2) 14

(3) 8

(4) 4

44. ফ্লৰিডিয়ান শ্বেতসাৰ সদৃশ গঠন হ'ব :

(1) এমাইল'পেক্টিন আৰু গ্লাইক'জেন

(2) মেনিট'ল আৰু এলগিন

(3) লেমিনেৰিন আৰু ছেলুল'জ

(4) শ্বেতসাৰ আৰু ছেলুল'জ

45. আন্তঃস্তৰৰ $G_1$ স্তৰ (Gap 1) সম্পৰ্কে **শুদ্ধ** উক্তিটো চিনাক্ত কৰা।

(1) সকলো কোষীয় উপাদানৰ পুনৰ্সংগঠন হয়।

(2) কোষটো বিপাক কাৰ্য্যৰ দিশৰ পৰা সক্ৰিয়, বৃদ্ধি হয় কিন্তু ডি এন এ ৰ প্ৰতিকৃতিকৰণ নহয়।

(3) নিউক্লিয়াচৰ বিভাজন হয়।

(4) ডি এন এ ৰ সংশ্লেষণ বা প্ৰতিকৃতিকৰণ হয়।

46. কোনটো পদ্ধতি ব্যৱহাৰ কৰি 'বিকানেৰি' মাইকী ভেড়া আৰু 'মেৰিনো' মতা ভেড়াৰ মাজত সংকৰণ ঘটা 'হিজাৰডেল' নামৰ এটা নতুন সঁচৰ ভেঁড়া পোৱা গৈছিল ?

(1) উৎপৰিবৰ্তন প্ৰজনন

(2) বৰ্ণসংকৰণ

(3) অন্তঃপ্ৰজনন

(4) বহিঃসংকৰণ

47. অসংক্ৰাম্যতা সম্পৰ্কে **অশুদ্ধ** উক্তিটো চিনাক্ত কৰা।

(1) যেতিয়া পূৰ্ব-প্ৰস্তুত এণ্টিবডিসমূহ পোনে পোনে শৰীৰত দিয়া হয়, তাক 'নিষ্ক্ৰিয় অসংক্ৰাম্যতা' বোলে।

(2) সক্ৰিয় অসংক্ৰাম্যতা দ্ৰুত আৰু পূৰ্ণ সহাঁৰি প্ৰদান কৰে

(3) ভ্ৰূণটোৱে মাকৰ পৰা কিছুমান এণ্টিবডি লাভ কৰে, এইটো এটা নিষ্ক্ৰিয় অসংক্ৰাম্যতাৰ উদাহৰণ।

(4) এণ্টিজেনত (জীৱিত বা মৃত) উন্মুক্ত কৰা পোষকৰ দেহত এণ্টিবডি সমূহৰ তৈয়াৰ হয়। ইয়াক 'সক্ৰিয় অসংক্ৰাম্যতা' বোলে।

48. EcoRI এ চিনাক্ত কৰা নিৰ্দিষ্ট পেলিনড্ৰ’মিক (palindromic) অনুক্ৰমটো হ’ল :

(1) 5' - GGAACC - 3'
3' - CCTTGG - 5'

(2) 5' - CTTAAG - 3'
3' - GAATTC - 5'

(3) 5' - GGATCC - 3'
3' - CCTAGG - 5'

(4) 5' - GAATTC - 3'
3' - CTTAAG - 5'

49. যদি একাদিক্ৰমে থকা দুটা ‘যোৰ ক্ষাৰক’ৰ মাজৰ দূৰত্ব 0.34 nm হয় আৰু এটা গতানুগতিক স্তন্যপায়ী প্ৰাণীৰ কোষত থকা এটা দ্বিকুণ্ডলীযুক্ত ডি এন এ ৰ যোৰ ক্ষাৰকৰ (base pair) সৰ্বমুঠ সংখ্যা $6.6 \times 10^9$ bp হয়, তেন্তে ডি এন এ টোৰ দৈৰ্ঘ্য মোটামুটিভাৱে হ’ব :

(1) 2.5 মিটাৰ
(2) 2.2 মিটাৰ
(3) 2.7 মিটাৰ
(4) 2.0 মিটাৰ

50. যদি পঁইতাচোৰাৰ মূৰটো আঁতৰাই পেলোৱা হয়, তেতিয়াও ই কেইদিনমানৰ বাবে জীয়াই থাকে। ইয়াৰ কাৰণ :

(1) পঁইতাচোৰাৰ স্নায়ুতন্ত্ৰ নাথাকে।
(2) মূৰটোৱে স্নায়ুতন্ত্ৰৰ এটা সৰু অংশহে ধৰি ৰাখে আনহাতে স্নায়ুতন্ত্ৰৰ বাকী অংশ দেহৰ অধঃস্থ অঞ্চলত অৱস্থিত হৈ থাকে।
(3) মূৰটোৱে স্নায়ুতন্ত্ৰৰ এক তৃতীয়াংশহে ধৰি ৰাখে আনহাতে স্নায়ুতন্ত্ৰৰ বাকী অংশ দেহৰ পৃষ্ঠীয় অংশত অৱস্থিত হৈ থাকে।
(4) পঁইতাচোৰাৰ অধিগ্ৰসনীয় প্ৰগণ্ড (supra-oesophageal ganglia) উদৰৰ অধঃস্থ অংশত অৱস্থিত ।

51. ঘাঁহনি পৰিস্থিতি তন্ত্ৰৰ ট্ৰফিক স্তৰৰ সৈতে সিহঁতৰ **শুদ্ধ** প্ৰজাতি সমূহ উদাহৰণৰ সৈতে মিলোৱা :

| | | | |
|---|---|---|---|
| (a) | চতুৰ্থ ট্ৰফিক স্তৰ | (i) | কাউৰী |
| (b) | দ্বিতীয় ট্ৰফিক স্তৰ | (ii) | শগুণ |
| (c) | প্ৰথম ট্ৰফিক স্তৰ | (iii) | শহাপহু |
| (d) | তৃতীয় ট্ৰফিক স্তৰ | (iv) | ঘাঁহ |

**শুদ্ধ** উত্তৰটো বাচি উলিওৱা :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (ii) | (i) | (iv) |
| (2) | (iv) | (iii) | (ii) | (i) |
| (3) | (i) | (ii) | (iii) | (iv) |
| (4) | (ii) | (iii) | (iv) | (i) |

52. এণ্টেৰ’কাইনেজ উৎসেচকটোয়ে তলৰ কোনটোৰ ৰূপান্তৰণত সহায় কৰে ?

(1) ট্ৰিপছিন’জেনক ট্ৰিপছিনলৈ
(2) কেচিন’জেনক কেচিনলৈ
(3) পেপচিন’জেনক পেপচিনলৈ
(4) প্ৰ’টিনক বহুপেপ্টাইডলৈ

53. মানৱ পাচনতন্ত্ৰ সম্পৰ্কে **শুদ্ধ** উক্তিটো চিনাক্ত কৰা।

(1) খাদ্যনলীৰ আটাইতকৈ ভিতৰৰ তৰপটো হৈছে চেৰ’চা (serosa) ।
(2) ইলিয়াম এটা অতিকৈ পাকখোৱা অংশ।
(3) গ্ৰহণী (duodenum) ৰ পৰা কৃমিৰূপ পৰিশেষিকাটো ওলায়।
(4) ইলিয়াম (Ileum) টো ক্ষুদ্ৰান্তত মিলিত (open) হয়।

54. এটা উদ্ভিদ বৃদ্ধি নিয়ন্ত্ৰকৰ নাম লিখা যাক কুহিয়াৰৰ গছৰ ওপৰত চতিয়াই দিলে গছৰ কাণ্ডৰ বৃদ্ধি হয়, গতিকে ই কুহিয়াৰৰ উৎপাদন বৃদ্ধি কৰে :

(1) জিবাৰেলিন
(2) ইথিলিন
(3) এবছিছিক এচিড
(4) চাইট’কাইনিন

55. ৰেষ্ট্ৰিক্‌ছন উৎসেচক সম্পৰ্কে **অশুদ্ধ** উক্তিটো চিনাক্ত কৰা।

(1) সিহঁতে ডি. এন. এ. সূত্ৰিকাডাল পেলিনড্ৰ’মিক (palindromic) স্থানত কাটে ।
(2) সিহঁত জিনীয় অভিযন্ত্ৰণৰ বাবে দৰকাৰী।
(3) আঠালেটিয়া মূৰবোৰ (sticky ends) ডি. এন. এ. লাইগেজৰ দ্বাৰা সংলগ্ন কৰিব পাৰি।
(4) প্ৰতিটো ৰেষ্ট্ৰিক্‌ছন উৎসেচকে ডি. এন. এ. অনুক্ৰমৰ দৈৰ্ঘ্য পৰীক্ষা কৰিহে ক্ৰিয়া কৰে।

56. তলত দিয়া সমূহ মিলোৱা :

| | | | |
|---|---|---|---|
| (a) | অনুঘটনীয় কাৰ্য্যত বাধা আৰোপ | (i) | ৰিচিন |
| (b) | পেপটাইড বন্ধনী যুক্ত | (ii) | মেল’নেট |
| (c) | ভেঁকুৰৰ কোষবেৰৰ উপাদান | (iii) | কাইটিন |
| (d) | গৌণ বিপাকীয় দ্ৰব্য | (iv) | ক’লাজেন |

নিম্নলিখিত **শুদ্ধ** বিকল্পটো বাছি উলিওৱা :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (i) | (iv) | (ii) |
| (2) | (iii) | (iv) | (i) | (ii) |
| (3) | (ii) | (iii) | (i) | (iv) |
| (4) | (ii) | (iv) | (iii) | (i) |

57. পৌষ্টিক নলীৰ ঘটিকা কোষসমূহ তলৰ কোনটোৰ পৰা ৰূপান্তৰিত হোৱা ?

(1) স্তম্ভাকাৰ আচ্ছাদক কোষসমূহ

(2) কনড্ৰ’চাইট

(3) যৌগিক আচ্ছাদক কোষসমূহ

(4) শল্কাকাৰ (চটীয়া) আচ্ছাদক কোষসমূহ

58. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | 6 - 15 যোৰ ক্লোমৰন্ধ্ৰ | (i) | *ট্ৰাইগন* |
| (b) | বিষমপুচ্ছ ফিচা | (ii) | চাইক্ল’ষ্টমচ্ |
| (c) | বায়ুথলী (air bladder) | (iii) | কনড্ৰিক্‌থিচ্ |
| (d) | বিষংকু | (iv) | অষ্টিকথিচ্ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (iv) | (i) | (ii) |
| (2) | (iv) | (ii) | (iii) | (i) |
| (3) | (i) | (iv) | (iii) | (ii) |
| (4) | (ii) | (iii) | (iv) | (i) |

59. কোনটো স্তৰত চাইনেপ্ট’নিমেল সংঘৰ গলন বা লুপ্তি (dissolution) ঘটে ?

(1) জাইগ’টিন

(2) ডিপ্ল’টিন

(3) লেপ্ট’টিন

(4) পেকিটিন

60. লিপ্যন্তৰৰ সময়ত ডি. এন. এ. কুণ্ডলীটো খোল খোৱাত সূচল কৰা উৎসেচকটোৰ নাম হৈছে :

(1) ডি.এন.এ. হেলিকেজ

(2) ডি.এন.এ. পলিমাৰেজ

(3) আৰ.এন.এ. পলিমাৰেজ

(4) ডি.এন.এ. লাইগেজ

61. তলৰ কোনটো ব্যাখ্যা **শুদ্ধ** ?

(1) এডেনাইনৰ সৈতে থাইমিনৰ যোৰ এটা H-বন্ধনীৰ দ্বাৰা

(2) এডেনাইনৰ সৈতে থাইমিনৰ যোৰ তিনিটা H-বন্ধনীৰ দ্বাৰা

(3) এডেনাইনৰ সৈতে থাইমিনৰ যোৰ নহয়

(4) এডেনাইনৰ সৈতে থাইমিনৰ যোৰ দুটা H-বন্ধনীৰ দ্বাৰা

62. তলত উল্লেখ কৰা পৃথিৱীৰ কোন অংশত আটাইতকৈ বেছি প্ৰজাতি বৈচিত্ৰতা পোৱা যায় ?

(1) মাদাগছকাৰ

(2) হিমালয়

(3) আমাজান অৰণ্য

(4) ভাৰতবৰ্ষৰ পশ্চিম ঘাট (Western Ghats)

63. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | পিটুইটেৰী গ্ৰন্থি | (i) | গ্ৰেভছৰ ৰোগ |
| (b) | থাইৰইড গ্ৰন্থি | (ii) | ডায়েবেটিছ মেলিটাচ |
| (c) | এড্ৰিনেল গ্ৰন্থি | (iii) | ডায়েবেটিছ ইনচিপিডাচ |
| (d) | অগ্ন্যাশয় | (iv) | এডিচনৰ ৰোগ |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iii) | (ii) | (i) | (iv) |
| (2) | (iii) | (i) | (iv) | (ii) |
| (3) | (ii) | (i) | (iv) | (iii) |
| (4) | (iv) | (iii) | (i) | (ii) |

64. মাহজাতীয় শস্যৰ শিপাত থকা টেমুনাত নাইট্ৰ’জিনেজৰ দ্বাৰা অনুঘোটক হোৱাৰ পিছত বিক্ৰিয়াত উৎপন্ন হোৱা দ্ৰব্য/দ্ৰব্যসমূহ হ’ল :

(1) কেৱল নাইট্ৰেট

(2) এম’নিয়া আৰু অক্সিজেন

(3) এম’নিয়া আৰু হাইড্ৰ’জেন

(4) কেৱল এম’নিয়া

65. তলৰ আৱশ্যকীয় মৌল সমূহৰ লগত উদ্ভিদৰ সিহঁতৰ কাৰ্য্যসমূহ মিলোৱা :

| | | | |
|---|---|---|---|
| (a) | আইৰন | (i) | পানীৰ প'ট'লাইচিচ |
| (b) | জিংক | (ii) | পাৰাগৰেণুৰ অংকুৰণ |
| (c) | ব'ৰ'ন | (iii) | ক্ল'ৰ'ফিল জৈব সংশ্লেষণত প্ৰয়োজন |
| (d) | মেঙ্গানিজ | (iv) | IAA জৈৱ সংশ্লেষণ |

**শুদ্ধ** বিকল্পটো বাছি উলিওৱা :

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (ii) | (i) |
| (2) | (iii) | (iv) | (ii) | (i) |
| (3) | (iv) | (i) | (ii) | (iii) |
| (4) | (ii) | (i) | (iv) | (iii) |

66. তলৰ কোনটোৱে মূত্ৰলতাক (Diuresis) ৰোধ কৰাত সহায় কৰে ?

(1) এল্‌ড'ষ্টেৰণৰ কাৰণে বৃক্কীয় নলীকাসমূহৰ পৰা $Na^+$ আয়ন আৰু পানীৰ পুনঃশোষণ

(2) অলিন্দীয় নেট্ৰিইউৰেটিক কাৰকে ৰক্তনলীৰ সংকোচন ঘটায়

(3) JG কোষসমূহৰ দ্বাৰা ৰেনিনৰ ক্ষৰণ হ্ৰাস

(4) ADH ৰ অধঃক্ষৰণৰ বাবে অধিক পানীৰ পুনঃশোষণ

67. দ্বিতীয়ক ডিম্বমাতৃকোষৰ মিঅ'টিক বিভাজনটো কেতিয়া সম্পূৰ্ণ হয় ?

(1) যৌন সংগমৰ (copulation) সময়ত

(2) যোজন কোষ গঠনৰ পিছত

(3) এটা শুক্ৰাণু এটা ডিম্বাণুৰ লগত মিলন (fusion) হোৱাৰ সময়ত

(4) ডিম্বক্ষৰণৰ আগতে

68. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা :

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | জাকবান্ধি থকা, বহুভক্ষী নাশক জীৱ (pest) | (i) | *এষ্টেৰিয়াচ* . |
| (b) | পৈণত প্ৰাণীৰ অৰীয় সমমিতি আৰু পলুবোৰৰ দ্বিপাৰ্শ্বীয় সমমিতি আছে | (ii) | স্কৰপিয়ন |
| (c) | পুস্তি ক্লোম (Book lung) | (iii) | *টিন'প্লানা* |
| (d) | জৈৱদ্যুতি (জীৱদীপ্তি ) | (iv) | *ফৰিং (Locusta)* |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (iv) | (i) | (ii) | (iii) |
| (2) | (iii) | (ii) | (i) | (iv) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (i) | (iii) | (ii) | (iv) |

69. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | প্লৱমান (মুক্ত) কামিহাড় | (i) | দ্বিতীয় আৰু সপ্তম কামিহাড়বোৰৰ মাজত |
| (b) | এক্ৰ'মিয়ন | (ii) | প্ৰগণ্ডিকাস্থিৰ (Humerus) মূৰ |
| (c) | অংসফলক (scapula) | (iii) | কন্ঠাস্থি |
| (d) | গ্লেন'ইড গহ্বৰ | (iv) | উৰোস্থিৰ (sternum) লগত সংলগ্ন নহয় |

| | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (1) | (i) | (iii) | (ii) | (iv) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (iv) | (iii) | (i) | (ii) |
| (4) | (ii) | (iv) | (i) | (iii) |

70. উদ্ভিদে কিছুমান গৌণ বিপাকীয় দ্ৰব্য যেনে নিক'টাইন, ষ্ট্ৰিকনাইন আৰু কেফেইন উৎপাদন কৰাৰ কাৰণ হ'ল :

(1) বৃদ্ধিৰ প্ৰভাৱ

(2) প্ৰতিৰক্ষা কাৰ্য

(3) প্ৰজননৰ প্ৰভাৱ

(4) পোষণৰ মূল্য

**71.** তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা ।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | Bt কপাহ | (i) | জিন চিকিৎসা (therapy) |
| (b) | এডিন'চাইন ডিএমাইনেজৰ নাটনি | (ii) | কোষীয় প্ৰতিৰক্ষণ (defence) |
| (c) | RNAi | (iii) | HIV সংক্ৰমণৰ নিৰ্ণয় |
| (d) | PCR | (iv) | *বেছিলাছ থুৰিনজিয়েনছিছ* |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iii) | (ii) | (i) | (iv) |
| (2) | (ii) | (iii) | (iv) | (i) |
| (3) | (i) | (ii) | (iii) | (iv) |
| (4) | (iv) | (i) | (ii) | (iii) |

**72.** এচ এল মিলাৰে তেওঁ কৰা পৰীক্ষাত এটা বন্ধ ফ্লাস্কত তলৰ কোনবোৰ মিহলি কৰি এমাইন' এচিড প্ৰস্তুত কৰিছিল ?

(1) $CH_3$, $H_2$, $NH_4$ আৰু পানীৰ বাষ্প 800°C ত

(2) $CH_4$, $H_2$, $NH_3$ আৰু পানীৰ বাষ্প 600°C ত

(3) $CH_3$, $H_2$, $NH_3$ আৰু পানীৰ বাষ্প 600°C ত

(4) $CH_4$, $H_2$, $NH_3$ আৰু পানীৰ বাষ্প 800°C ত

**73.** তলৰ জীৱ সমূহৰ লগত সিহঁতৰ জৈৱ প্ৰযুক্তি বিদ্যাত হোৱা প্ৰয়োগ সমূহ মিলোৱা :

| | | | |
|---|---|---|---|
| (a) | *বেছিলাছ থুৰিনজিয়েনছিছ* | (i) | ক্লনিং বাহক |
| (b) | *থাৰমাছ একুৱাটিকাছ* | (ii) | প্ৰথম rDNA অণুৰ গঠন |
| (c) | *এগ্ৰবেক্‌টেৰিয়াম টিউমিফেছিয়েনচ* | (iii) | ডি এন এ পলিমাৰেজ |
| (d) | *চালম'নেলা টাইফিমুৰিয়াম* | (iv) | ক্ৰাই প্ৰ'টিন |

নিম্নোলিখিত **শুদ্ধ** বিকল্পটো বাছি উলিওৱা :

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iv) | (iii) | (i) | (ii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (iii) | (iv) | (i) | (ii) |
| (4) | (ii) | (iv) | (iii) | (i) |

**74.** *বেছিলাছ থুৰিনজিয়েনছিছ* (Bt) ৰ বিষ জিনটো সংস্থাপন কৰি সৃষ্টি কৰা Bt কপাহ গছটো তলৰ কোনটোৰ বিৰুদ্ধে প্ৰতিৰোধ্য ?

(1) ভেঁকুৰজনিত ৰোগসমূহ

(2) উদ্ভিদৰ ঘূৰণীয় কৃমি (nematodes)

(3) পতংগ পৰভক্ষীসমূহ (Insect predators)

(4) অনিষ্টকাৰী পতংগ

**75.** নিম্নলিখিত **শুদ্ধ** বিকল্প যোৰটো বাছি উলিওৱা :

(1) পলিমাৰেজ - ডি এন এ ক ভাঙি খণ্ডিত কৰে

(2) নিউক্লিয়েজ - ডি এন এ ক দুডাল সূত্ৰত পৃথক কৰে

(3) একচোনিউক্লিয়েজ - ডি এন এ অণুবোৰৰ ভিতৰত সুনিৰ্দিষ্ট স্থানত কাটিব পাৰে

(4) লাইগেজ - দুটা ডি এন এ অণু লগ লগায়

**76.** ডিম্বকৰ লগত ডিম্বক নাড়ীৰ সংমিলন স্থল হ'ল :

(1) ডিম্বক ৰন্ধ্ৰ

(2) প্ৰদেহ

(3) ডিম্বক মূল

(4) ডিম্বক নাভী

**77.** ৰেণুপত্ৰমঞ্জৰী নাইবা শংকু পোৱা যায় :

(1) *টেৰিছ*

(2) *মাৰকেনছিয়া*

(3) *ইকুইজেটাম্*

(4) *ছেলাভিনিয়া*

**78.** তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা ।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | ইওছিন'ফিল | (i) | অসংক্ৰাম্যতা সঁহাৰি (immune response) |
| (b) | বেছ'ফিল | (ii) | কোষীয়ভক্ষণ |
| (c) | নিউট্ৰ'ফিল | (iii) | হিষ্টামিনেজ, ধ্বংসকাৰী উৎসেচকবোৰৰ ক্ষৰণ কৰে |
| (d) | লিম্ফ'চাইট | (iv) | হিষ্টামিন থকা কণিকাৰ ক্ষৰণ কৰে |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (iv) | (i) | (ii) | (iii) |
| (2) | (i) | (ii) | (iv) | (iii) |
| (3) | (ii) | (i) | (iii) | (iv) |
| (4) | (iii) | (iv) | (ii) | (i) |

79. গ্লাইক'চাইদিক বন্ধনী আৰু পেপটাইড্ বন্ধনী থকা দ্ৰব্য সমূহৰ গঠন অনুযায়ী একাদিক্ৰমে চিনাক্ত কৰা :

(1) গ্লিছাৰল, ট্ৰিপচিন

(2) চেলুল'জ, লেচিথিন

(3) ইনুলিন, ইনচুলিন

(4) কাইটিন, কলেচটেৰল

80. পৰিস্থিতি তন্ত্ৰৰ মুঠ প্ৰাথমিক উৎপাদকতা আৰু অৱশিষ্ট প্ৰাথমিক উৎপাদকতাৰ মাজত থকা সম্বন্ধৰ বাবে তলত দিয়া কোনটো উক্তি **শুদ্ধ** ?

(1) মুঠ প্ৰাথমিক উৎপাদকতা সদায় অৱশিষ্ট প্ৰাথমিক উৎপাদকতাতকৈ বেছি

(2) মুঠ প্ৰাথমিক উৎপাদকতা আৰু অৱশিষ্ট প্ৰাথমিক উৎপাদকতা এটা আৰু একে

(3) মুঠ প্ৰাথমিক উৎপাদকতা আৰু অৱশিষ্ট প্ৰাথমিক উৎপাদকতাৰ মাজত কোনো সম্পৰ্ক নাই

(4) মুঠ প্ৰাথমিক উৎপাদকতা সদায় অৱশিষ্ট প্ৰাথমিক উৎপাদকতাতকৈ কম

81. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা ।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | অমৰা (placenta) | (i) | এনড্ৰ'জেন |
| (b) | জোনা পেলুচিডা | (ii) | মানৱ ক'ৰিয়নিক গনাড'ট্ৰ'পিন (hCG) |
| (c) | কন্দমূত্ৰপথিয় গ্ৰন্থি | (iii) | ডিম্বৰ তৰপ |
| (d) | লেইদিগ কোষ | (iv) | পুৰুষাংগ (penis) পিছলকৰণ |

| | **(a)** | **(b)** | **(c)** | **(d)** |
|---|---|---|---|---|
| (1) | (i) | (iv) | (ii) | (iii) |
| (2) | (iii) | (ii) | (iv) | (i) |
| (3) | (ii) | (iii) | (iv) | (i) |
| (4) | (iv) | (iii) | (i) | (ii) |

82. তলৰ কোনটো আবাদীৰ লক্ষণ **নহয়** ?

(1) জন্মহাৰ

(2) মৃত্যুহাৰ

(3) প্ৰজাতিৰ পাৰস্পৰিক ক্ৰিয়া

(4) লিংগ অনুপাত

83. তলৰ স্তম্ভ কেইটা মিলাই **শুদ্ধ** বিকল্পটো বাচি উলিওৱা।

| | **স্তম্ভ - I** | | **স্তম্ভ - II** |
|---|---|---|---|
| (a) | কৰ্টিৰ অংগ | (i) | মধ্যকৰ্ণ আৰু ফেৰিংচক সংলগ্ন কৰে |
| (b) | কক্লিয়া | (ii) | ব্যূহৰ (লেবিৰিন্থ) পাক খোৱা অংশ |
| (c) | ইউষ্টেচিয়ান নলী | (iii) | উপবৃত্ত বাতায়নৰ (oval window) লগত সংলগ্ন |
| (d) | ষ্টেপছ | (iv) | ভৌমছদাত অৱস্থিত |

